জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ১২৮/২০২২

# ঈদ-উল- ফিতৰ উপলক্ষে মুখ্যমন্ত্ৰীৰ শুভেচ্ছা

**দিছপুৰ, ২ মে' ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঈদ-উল-ফিতৰ উপলক্ষে ৰাজ্যখনৰ ইছলাম ধৰ্মাৱলম্বী লোকসকললৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে।

আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰমজান মাহৰ উপবাসৰ অন্তত পালিত ঈদ-উল-ফিতৰ উৎসৱ হ'ল ইছলাম ধৰ্মাৱলম্বী জনসাধাৰণৰ এক পৱিত্ৰ উৎসৱ। এই উৎসৱে আমাক সকলোকে মানৱতাবোধেৰে আগুৱাই যোৱাৰ বাবে প্ৰেৰণা যোগোৱাৰ লগতে ত্যাগ, কৰুণা, বন্ধুত্ব আৰু ভাতৃত্ববোধৰ মহান অনুভূতিৰে উদ্বুদ্ধ কৰে। ঈদ-উল-ফিতৰ পালনৰ জৰিয়তে আমাৰ মাজত বৰ্তি থকা শান্তি-সম্প্ৰীতি, একতাৰ বান্ধোন আৰু অধিক শক্তিশালী হৈ উঠিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। এই উৎসৱ পালনৰ জৰিয়তে পাৰস্পৰিক বুজাবুজিৰে মানৱ কল্যাণৰ হকে কাম কৰিবলৈ সকলোকে অনুপ্ৰাণিত কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

**পুঃডেঃ**
**০২/০৫/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in